## অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শৈক্ষিক সঞ্চালক কৃষ্ণ কুমাৰ বৰাদেৰলৈ শ্ৰদ্ধাঞ্জলি

নুনমাটি, গুৱাহাটী ১ জুলাই : অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ স্থায়ী সভাপতি আৰু আজীৱন শৈক্ষিক সঞ্চালক কৃষ্ণ কুমাৰ বৰাৰ আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি আজি বিদ্যালয়ত নাম-প্ৰসংগ আৰু স্মৃতিচাৰণ সভা আয়োজন কৰা হয়। আৰম্ভণিতে বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা আৰু সচিব ডা নাৰায়ণ শৰ্মাই বৰাদেৰৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পিছতেই বৰাদেৰৰ বিদেহী আত্মাৰ শান্তি কামনা কৰি নাম-প্ৰসংগ কৰা হয়। নাম-প্ৰসংগৰ অন্তত বৰাদেৰৰ লগত জড়িত বিভিন্ন স্মৃতি, তেওঁৰ বিশাল ব্যক্তিত্ব সম্পৰ্কে শিক্ষক-শিক্ষয়িত্ৰী, বিশিষ্ট ব্যক্তি তথা পৰিচালনা সমিতিৰ সদস্যসকলে সোঁৰৰণ কৰে। উল্লেখ্য যে অসমৰ শিক্ষা জগতত নিজৰ জ্ঞানেৰে বহু অৱদান আগবঢ়াই যোৱা এইগৰাকী শিক্ষাবিদৰ যোৱা ২০ জুনত দেহাৱসান ঘটে। ৮৪ বছৰীয়া জীৱনকালত তেওঁ অসমৰ শৈক্ষিক জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়াই যায়। অনুষ্ঠানটিৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী অপৰ্ণা দেৱীয়ে।

ঘনশ্যাম মেধি
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়